## মৰিধল মহাবিদ্যালয়ত ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ অধীনত এদিনীয়া কৰ্মশালা সমাপ্তি

# পছন্দ ভিত্তিক ক্ৰেডিট পদ্ধতি ৰূপায়ন সন্দৰ্ভত গুৰুত্বপূৰ্ণ আলোচনা

**ধেমাজিৰ প্ৰতিনিধি, ২৩ ফেব্ৰুৱাৰী** ঃধেমাজি জিলাৰ মৰিধল মহাবিদ্যালয়ৰ আভ্যন্তৰীণ মান নিশ্চিতকৰণ কোষৰ উদ্যোগত ধেমাজি জিলাৰ মহাবিদ্যালয়সমূহৰ শিক্ষক-শিক্ষয়িত্ৰীৰ মাজত ২০ ফেব্ৰুৱাৰীত 'Implementation of CBCS in Undergraduate Programmes' শীৰ্ষক এখন এদিনীয়া কৰ্মশালা অনুষ্ঠিত হয়। সেইদিনা পুৱা ১০ বজাৰ পৰা আৰম্ভ হোৱা কৰ্মশালাখনৰ আদৰণী ভাষণত মহাবিদ্যালয়ৰ আভ্যন্তৰীণ মান নিশ্চিতকৰণ কোষৰ সমন্বয়ক ড° লেখন গগৈয়ে কয় যে যিহেতু আগন্তুক ২০১৯-২০ শিক্ষা বৰ্ষৰ পৰা ডিব্ৰুগড় বিশ্ববিদ্যালয়ে স্নাতক পৰ্যায়ত 'পছন্দ ভিত্তিক ক্ৰেডিট পদ্ধতি' ৰূপায়ন কৰিব, এইক্ষেত্ৰত মহাবিদ্যালয়সমূহে পূৰ্ব প্ৰস্তুতি সম্পাদন কৰিবলৈ হ'লে উক্ত পদ্ধতিৰ কিছুমান প্ৰায়োগিক আৰু কাৰিকৰী বিষয়ৰ ওপৰত স্পষ্ট ধাৰণা লাভ কৰাৰ প্ৰয়োজন আছে। সেই উদ্দেশ্যেৰে বিশ্ববিদ্যালয়ৰ সংশ্লিষ্ট কৰ্তৃপক্ষৰ লগত মহাবিদ্যালয়সমূহৰ কৰ্তৃপক্ষ আৰু শিক্ষক-শিক্ষয়িত্ৰীসকলে প্ৰত্যক্ষভাৱে আলোচনা কৰিবলৈ এই কৰ্মশালাখনি অনুষ্ঠিত কৰা হৈছে। মৰিধল মহাবিদ্যালয় অধ্যক্ষ ড° কমল গগৈৰ সঞ্চালনাত অনুষ্ঠিত কৰ্মশালাখনিত সমল ব্যক্তি হিচাপে অংশগ্ৰহণ কৰা ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ যুটীয়া পঞ্জীয়ক (শৈক্ষিক) ড° বিনোদ বড়াই Dibrugarh University Regulation of UG Academic Programme in the Choice Based Credit System, 2018 ৰ বিভিন্ন দফাসমূহ বাস্তৱিক আলোচনা আগবঢ়ায় আৰু ইয়াক ৰূপায়নৰ ক্ষেত্ৰত দেখা দিয়া সম্ভাব্য প্ৰত্যাহ্বানসমূহ ইতিবাচকভাৱে সন্মুখীন হ'ব পৰাকৈ পূৰ্ব প্ৰস্তুতি কৰিবলৈ সকলোকে আহ্বান জনায়। এইক্ষেত্ৰত প্ৰাথমিক কাৰ্য হিচাপে প্ৰত্যেকখন মহাবিদ্যালয়তে College CBCS Board গঠন কৰি আগন্তুক শিক্ষাবৰ্ষৰ বাবে শৈক্ষিক দিনপঞ্জী আৰু Prospectus প্ৰস্তুত কৰোতে CBCS ৰ ওপৰত গুৰুত্ব আৰোপ কৰিব লাগে। আন এজন সমল ব্যক্তি তথা ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ School of Educationৰ Dean অধ্যাপক মুকুট হাজৰিকাই CBCS ৰূপায়নৰ ক্ষেত্ৰত মহাবিদ্যালয়সমূহৰ কৰ্তৃপক্ষ; শিক্ষক-শিক্ষয়িত্ৰী আৰু সমাজৰ দায়িত্বসমূহৰ কথা বিতংভাৱে আলোচনা আগবঢ়ায়। এইক্ষেত্ৰত ছাত্ৰ-ছাত্ৰী আৰু অভিভাৱকসকলৰ মাজত CBCS ৰ প্ৰতি সজাগতা সৃষ্টি কৰিবলৈ মহাবিদ্যালয়সমূহে ব্যৱস্থা গ্ৰহণ কৰিবলৈ আহ্বান জনায়। উল্লেখ্য যে সমল ব্যক্তিদ্বয়ে আলোচনা আগবঢ়োৱাৰ পিছত অংশগ্ৰহণকাৰী শিক্ষক-শিক্ষয়িত্ৰীসকলে বিভিন্ন দিশত সোধা প্ৰশ্নসমূহৰ যথাযথ উত্তৰ দি CBCS ৰ ওৰপত এক স্পষ্ট ধাৰণা দিয়ে। কৰ্মশালাখনিৰ সঞ্চালক ড°কমল গগৈয়ে মহাবিদ্যালয়সমূহৰ বিভিন্ন দিশত থকা সীমাবদ্ধতাসমূহ নেওচি CBCS ৰ সফল ৰূপায়নৰ বাবে আগবাঢ়ি আহিবলৈ সকলোকে আহ্বান জনায়। ধেমাজি জিলাৰ মহাবিদ্যালয়সমূহৰ অধ্যক্ষ, IQACৰ সম্বন্বয়ক আৰু শিক্ষক-শিক্ষয়িত্ৰীসকলৰ মাজত অনুষ্ঠিত হোৱা কৰ্মশালাখনিত শতাধিক অংশগ্ৰহণকাৰীয়ে সক্ৰিয়ভাৱে অংশ লোৱাৰ বাবে মৰিধল মহাবিদ্যালয়ৰ পৰিয়ালবৰ্গ আৰু আয়োজক সমিতিৰ হৈ ইংৰাজী বিভাগৰ অধ্যাপক হৰিপ্ৰসাদ কাফ্‌লে সকলোকে ধন্যবাদ জ্ঞাপন কৰে।